

পৰিশিষ্ট

সাহিত্যত কৰুণ ৰস

বাণীকান্ত কাকতি

চৈতন্যৰ উদয়ৰপৰা মৰণলৈকে মানৱ জীৱন এটা সুদীর্ঘ কাৰুণ্যৰ আবেগ মাথোন; নাইবা গভীৰ নৈৰাশ্যৰ দীর্ঘ নিশ্বাস । ইচ্ছা, আকাঙক্ষা, অতৃপ্ত বাসনা, হাঁহি-কান্দোন, মানসিক প্রবৃত্তি মোহৰ লগ লাগি কেৱল কৰুণ ধ্বনিত পৰিণত হয়। সূর্যোদয়ৰ লগে লগে মনত যি অদম্য আশাৰ সঞ্চাৰ হয়, হৃদয়ত যি শূন্যৰ লগতে মিহলি হৈ যাবৰ আৰেগ হয়, সূর্যাস্তৰ সময়ত আত্ম-বিশ্লেষণ কৰি চালে সেই উদ্দাম-উৎসাহৰ শতাংশৰ এভাগো কামত পৰিণত নহয়। পু�ৱাৰ নৱ-বিকশিত জীৱনোচ্ছ্বাস সকলোৱে জীৱনত সন্ধিয়াৰ নৈৰাশ্যৰ দীর্ঘ-নিশ্বাস স্বৰূপে বাহিৰ হয়। জীৱনৰ এই ভীষণ নৈৰাশ্যৰ হাত সাৰিবলৈকে যোগীসকলে শূন্যত আশাৰ কণিকা বিচাৰি বিচাৰি জীৱন অতিবাহিত কৰে। জগতৰ অমৰ কাব্যবোৰ অনেক সময়ত জীৱন শ্মশানৰ হাহা-ধ্বনি, অনেক সময়ত গভীৰ নৈৰাশ্যৰ মর্মভেদী শ্বাস। এই নিশ্বাসেই প্রকৃত জীৱন-শ্বাস আৰু এই নিশ্বাসতেই সকলো সুকুমাৰ কলাৰ উৎপত্তি হয়।

নব্য জগতৰ সুবিখ্যাত চিত্রকৰ ইটালী দেশীয় মাইকেল এঞ্জিলোৰ চিত্রবোৰ বিষাদৰ ভিন্ন ভিন্ন অৱস্থাৰ প্রতিমূর্তি মাথোন। তেওঁৰ চিত্রবোৰ পঢ়ি চালে জগতত আশা, আনন্দ আদি নাই যেন লাগে। তেওঁ আঁকা ছবিত কোমল শিশুৰ হাঁহি বা হাস্যময় মুখৰ পিনে চাই থাকিও মাকৰ মুখত কেৱল ভীষণ নিৰাশাৰ ভাব এটাহে পৰিস্ফুট হয়, অথচ মাইকেল এঞ্জিলোৰ নিচিনা যশ, গৌৰৱ, ধন-সম্পদ, অক্ষুণ্ণ স্বাস্থ্য আৰু সুদীর্ঘ জীৱন অলপ মানুহৰ ভাগ্যতহে কেতিয়াবা কদাচিত ঘটে। দিব্য চকুৰে তেওঁ জগতত বিষাদত বাজে অইন একো পদার্থ বা ভাব-বাস্তৱ নেদেখিলে।

সংস্কৃত সাহিত্যৰ শ্লোক-ছন্দৰ জন্ম-কাহিনী সকলোৰে মনত আছে। নির্মল সূর্য কিৰণ-বিধৌত পুণ্যতোয়া তমসাৰ তীৰত মহামুনি বাল্মীকিয়ে স্নান-তর্পণাদি কৰিবলৈ গৈ নিকৰুণ ব্যাধৰ শৰত ক্রৌঞ্চ পক্ষী এটা গছৱপৰা পৰি যোৱা দেখিলে। তেতিয়াই নিজৰ অতর্কিতভাৱে ইয়াৰ আগেয়ে ভাব নোহোৱা, এনেকি মহামুনিয়ে নিজেই নজনা, শ্লোকছন্দেৰে নিজৰ কৰুণ ভাব বিস্ফুৰিত হৈ গ'ল ঃ

মা নিষাদ প্রতিষ্ঠাংত্বমগমঃ শাশ্বতীঃ সমাঃ।
যৎ ক্রৌঞ্চ মিথুনাদেকমৱধীঃ কামমোহিতম্ ।।

নভবা-নিচিন্তাকৈ এই শ্লোকটো হঠাৎ উচ্চাৰণ কৰিয়েই মুনিয়ে ভাবিব ধৰিলে, 'শোকার্ত্তেনাস্য শকুনেঃ কিমিদং ৱাহৃতং ময়া।" তেওঁ নিজে ভাবি-চিন্তি একো ঠিক কৰিব নোৱাৰি তেওঁৰ শিষ্যসকলক গৈ ক'লে । তেওঁলোকেও বিশেষ ভাবি-চিন্তি একো অর্থ বুজিব নোৱাৰি বাৰে বাৰে সেই শ্লোকটো গাবলৈ ধৰিলে।

তস্য শিষ্যাস্ততঃ সর্বে জগুঃ শ্লোকমিমং পুনঃ
মুহুর্মুহুঃ প্রীয়মানাঃ প্রাহুশ্চ ভূয়ো ৱিস্মিতাঃ ।।

কিন্তু বৰ আচৰিত কথা যে যি ভাবটো তেওঁলোকে চেষ্টা কৰিও বুজিব নোৱাৰিছিল, বাৰে বাৰে গাওঁতে গাওঁতে সেই ভাবটো যেতিয়া হৃদয়ঙ্গম হ'ল, তেতিয়া দেখিলে যে ঋষিৰ শোক গৈ এটা নতুন ছন্দত পৰিণত হৈছে ঃ

সমাক্ষৱৈশ্চতুর্ভির্যৎ পাদৈর্গীতো মহর্ষিণা।
সোহনুব্যাহৰণাদ্ভূয়ঃ শোকঃ শ্লোকত্বমাগতঃ।।

অর্থৎ ঋষিৰ শোকভাব শ্লোকৰূপে প্রকাশ পাইছে অথবা ঋষিৰ শোকেই শ্লোক। দুয়ো দুটা ভিন্ন পদার্থ নহয়। অলপ বহলাই নক'লে, এইখিনি বুজা টান। মহামুনি বাল্মীকি বিষয়ক এই উপাখ্যানটোৰ নিগূঢ় অর্থ আছে। প্রথমতঃ সাহিত্য বা মহাকাব্য বা কবিতা বোলা বস্তুটো মানুহে ইচ্ছা কৰিলেই মেজ, মাচিয়া আদিৰ দৰে সাজিব নোৱাৰে। কবিতা প্রকৃত মানুহৰ হৃদয়ত আপোনা-আপুনি সৃষ্ট হয়, আৰু বাহ্য-জগতৰ বা অন্তর্জগতৰ কোনো এটা উদ্দেশ্য লৈ মহামুনি মনুৱে হাঁচি মাৰোতে ইক্ষাকু জন্মাৰ দৰে জন্মে। দ্বিতীয় প্রসঙ্গটো এই প্রবন্ধত বহলাব লাগিব। শ্লোকছন্দ যে শোকজনক ঘটনাৰপৰাহে উদ্ভুত হ'লে, ইটো আনন্দজনক ঘটনাৰ পৰাও সম্ভূত হ'ব পাৰিলেহেঁতেন ?

এক শ্ৰেণীৰ কবি আছে তেওঁলোকে বতাহৰ উৰি ফুৰাৰ দৰে ভাব-বতাহত উৰি ফুৰে। তেওঁলোকৰ মনৰ ওপৰত কোনো সংযম নাই। তেওঁলোকক ভাবে কোবাই লৈ ফুৰে। যেতিয়া যি ভাব মনত খেলায়, তেতিয়া তেওঁলোকে জগতখনকে হয় সেই ভাবময় দেখে, নাইবা সেই ভাব জগতত পূৰ্ণৰূপে বিৰাজ নকৰে বুলি বাস্তৱ জগতত কোনো আনন্দৰ প্ৰতিমূৰ্তি নেদেখা হয়। সংস্কৃত কানন কবিতাবোৰত (pastoral poems) কীচক বুলি এবিধ বেণুৰ উল্লেখ পোৱা যায়। গ্ৰীকসকলৰ কানন-কবিতাতো এই নিচিনা এবিধ বেণুৰ উল্লেখ আছে। তাক Aeolian harp বোলে। এইবোৰ ৰেণু বতাহ লাগিলে আপোনা-আপুনি বাজি উঠে। এই শ্ৰেণীৰ কবিবিলাকক সেই ৰেণুৰ লগত পূৰ্ণভাৱে তুলনা কৰিব পাৰি। ভাব আহিলে তেওঁলোক আপোনা-আপুনি উথলি উঠে, গাত চেতনা নাই, মনত সংযম ধৈৰ্য একোৱেই নোহোৱা হয়। কাজেই শোক ৰসত আপ্লুত হ'লে আৰ্তস্বৰেৰে তেওঁলোকে অসহ্য যন্ত্ৰণা জনাই, প্ৰয়াস জনাই স্বেচ্ছাবিহাৰী বতাহক সম্বোধন কৰি ক'ব লাগিছে ঃ

Oh lift me as a wave, a leaf, a cloud
I fall upon the thorns of life, I bleed.
A heavy weight of hours has chained and bowed
One too like thee, tameless, swift and wild.

(অ' বতাহ, মোকো তুলি লোৱা এটি ঢৌ, এটি গছৰ পাত, এটি ডাৱৰৰ দৰে। জীৱন-পথৰ কাঁইটৰ আঁচোৰত তেজেৰে ৰঙা হৈছো। তোমাৰেই নিচিনা এদিনাখন ময়ো বান্ধ নোহোৱা, মুকলিমূৰীয়া বেগশীল আছিলো। সময়ৰ হেঁচাই আজিৰ দিনত মোক লৰিব নোৱাৰাকৈ থূপুৰি কৰিছে।)

লোকৰ শোক বৰ্ণাব লাগিলেও তেওঁলোকে শোক-প্ৰকাশক সকলোবোৰ শেষ কৰিব। তথাপি তেওঁলোকে ভাবে যেন শব্দ, সংকেত, বাহ্য জগত সকলোবোৰৰ শোক-প্ৰকাশ শক্তি লগ কৰিলেও তেওঁলোকৰ হৃদয়ৰ অসহ্য বেদনা অপ্ৰকাশ হৈয়েই থাকে। আৰু এজন তৰুণ কবিয়ে নায়কৰ মৰণ সম্বাদত নায়িকাৰ দুখ বৰ্ণনা কৰিছে। যেনে ঃ

And she forgot the stars, the moon, the sun,
And she forgot the blue above the trees.

(তৰা, বেলি, জোন আটাইবোৰকেই তাই পাহৰিলে। আকৌ পাহৰিলে গছৰ ওপৰৰপৰা বিয়পি থকা নীলবৰণীয়া আকাশখণ্ড।)

ইত্যাদি ইত্যাদি ধৰণে আঠ-ন শাৰী কৈয়েই গৈছে।

সংস্কৃত নাটবোৰত এই অসংযত কৰুণ ৰসে বানপানীৰ দৰে সকলোকে উটাই লৈ যায়। উন্মাদ, চিত্ত-বিভ্ৰম আদি নানা আকাৰেই সংস্কৃত নাটক সাহিত্যত প্ৰকাশ পায়। *শকুন্তলা, উত্তৰ ৰামচৰিত, বিক্ৰমোৰ্বশীয়, মালতী-মাধৱ* আদিৰ নায়কসকলৰ কম-বেছি সকলোৱে আপোন-পাহৰা হৈ বলিয়াৰ দৰে অনেক সময়ত এনে অসংযতভাৱে শোক প্ৰকাশ কৰিছে যে কোনোবা ঠাইত তেওঁলোকলৈ সহানুভূতি নহ'বই খোজে। কিন্তু অতীতৰ জাতীয় জীৱনৰ অথবা সাহিত্য-জীৱনৰ লক্ষণ বুজিহে এইবোৰ বিচাৰ কৰিব পাৰি।

ইয়াতে অইন অইন দেশৰ দৃশ্য-কাব্যতো শোক-ৰস কেনেকৈ প্ৰকাশ পায় তাৰ কথা সংক্ষেপে কোৱা যাওক। মহাকবি ছেক্সপিয়েৰৰ নাটবোৰতো শোকৰ অসংযত ভাবেই বেছি ভাগ প্ৰকাশ পায়। এজন পুত্ৰই শোকাকুল জনীনক সান্ত্বনা দি কৈছে Patience, good lady, comfort gentle constance (ধৈৰ্য ধৰা আইদেউ, সান্ত্বনা লোৱা) জননীৰ অসংযত শোক-সংজ্ঞাপক উত্তৰ ঃ

No, I defy all counsel, all redress,
But that which ends all counsel, true redress.
Death, death : O amiable lovely death!
Thou odoriferous stench, sound rottenness!
Arise forth from the couch of lasting night.

(নেমানো উপদেশ, নেমানো কোনো প্ৰতিকাৰ। লাগে মাথোন মোক মৃত্যু, য'ত সকলো উপদেশ আৰু প্ৰতিকাৰৰ ওৰ পৰে। অ' ৰমণীয় মৰণ, তই গোন্ধময়, বাষ্পময়, পূৰ্ণ গলনৰ নৰৰূপ। উটি আহ, চিৰ এন্ধাৰৰ শয়নতলিৰপৰা।)

কিন্তু একে বিৰহিণী জননীৰ চিত্ৰকে গ্ৰীক মহাকবিসকলে একেবাৰেই ভিন্নৰূপে চিত্ৰিত কৰিছে। প্ৰাচীন গ্ৰীকসকল অতীব ধৰ্মপৰায়ণ আৰু কৰ্তব্যনিষ্ঠ আছিল। তেওঁলোকৰ মনত কৰ্তব্য আৰু ধৰ্মৰ প্ৰভেদ নাছিল। যি অৱস্থাৰ যি কাম তাক কৰিবলৈ চেষ্টা কৰি সফল কৰা বা সেই চেষ্টাতেই

মানুহ যেতিয়া সংকুল অৱস্থাত আহি পৰে তেতিয়া আশা, ভৰসা, ভাব, বাসনা, সুখ, দুখৰ স্মৃতি বা কাল্পনিক ভৱিষ্যত-যিবোৰ সূক্ষ্ম প্ৰভাৱ লগ লাগি জীৱন প্ৰবাহত পৰিণত হয়, অৱস্থাৰ বিপৰ্যয় অনুসাৰে সেই সকলোবোৰ নিশাৰ সপোনৰ দৰে উৰি যায়, তেতিয়া মানুহৰ পক্ষে কেৱল দুটা বাট মুকলি হৈ থাকে। হয় তেওঁ অসহ্য তীব্ৰ যাতনাতে মৰি যায়, নহয় সকলো দুখ-শোক হৃদয়ত বান্ধি থৈ প্ৰশান্তভাৱে নতুন কৰ্তব্য-পথত নিমগ্ন হয়। কিন্তু বুকু ভৰা শোকৰ পৰিমাণ আনে দূৰৰ কথা নিজেই ক'ব নোৱাৰে। তেতিয়া অনেকে যি যি কাৰণৰ নিমিত্তে বৰ্তমান দুৰৱস্থা হৈছে, সেই কাৰণবোৰ নাথাকিলে কি অৱস্থা হ'লহেঁতেন, সেই দুখৰ ছবি কল্পনা কৰে, নাইবা ইহ জনমত যি নোপোৱাৰ কাৰণে জীৱন ব্যৰ্থ হৈ গ'ল, পৰজনমত সেই বস্তুকে পাম বুলি সুখৰ কাল্পনিক ছবি মনত আঁকি মনত সান্ত্বনা দিবৰ চেষ্টা কৰে। কিন্তু সেই কাল্পনিক সুখৰ ছবিৰ পোহৰে কেৱল বৰ্তমানৰ বাস্তৱ নিষ্ঠুৰতা শতগুণে বঢ়াই দিয়ে। বৰ্তমানৰ যন্ত্ৰণা অসহ্য নহয় মানে কোনেও ভৱিষ্যত কাল্পনিক সুখৰ ছবিত আত্ম-বিস্মৃত হ'ব নোখোজে। এইবোৰ ভৱিষ্যত মৰীচিকাই কেৱল আচীৰ দৰেই বৰ্তমানৰ বিষম যন্ত্ৰণাক দেখুৱাইহে দিয়ে। সীতাৰ যে মনত কিমান বিষাদ, তাক তেওঁ নিজেই কল্পনা কৰিব নোৱাৰে, ভাষাৰে বৰ্ণাব নোৱাৰে কেৱল মাত্ৰ "পুনৰায় যেন তোমাকে পতিৰূপে পাওঁ, কিন্তু বিৰহ যেন আৰু নাথাকে।" "বিৰহ নেথাকে" এই কথাষাৰেই তেওঁৰ মনৰ সকলো যন্ত্ৰণাৰ পৰিচয় দিছে। তেওঁৰ সকলো শোকৰ মূল বিৰহেই। বিৰহ-বিহীন ৰামৰ সঙ্গেই তেওঁৰ জীৱনৰ কেন্দ্ৰ।

সংযত শোক সংযত ভাষাৰে অথচ গভীৰ বেদনাসূচক কৰি প্ৰকাশ কৰিবলৈ প্ৰায়ে মহাকবিসকলহে সমৰ্থ আৰু সচৰাচৰ সংযত শোক ভাষাৰে প্ৰকাশ কৰা নহয়। প্ৰকৃতপক্ষে, শব্দই সকলো বিষয়ত সম্পূৰ্ণ মনোভাৱ প্ৰকাশ কৰিব নোৱাৰে। শব্দ জ্ঞানগম্য, ভাব হৃদয়গম্য আৰু গভীৰ ভাববোৰ অনাদি অনন্ত। সংসাৰৰ ঘাত-প্ৰতিঘাতত সাগৰৰ ঢৌৰ নিচিনাকৈ ই নানা ৰূপে খেলা কৰি থাকে। সেই দেখি মহাকবিসকলে দৈৱ-শক্তিৰদ্বাৰা মানৱ হৃদয়ৰ তত্ত্ববোৰ জানি লৈ, সেইবোৰ শোকৰ খুন্দাত যি যি ভাব ব্যক্ত হয়, সেই সেই ভাবে প্ৰকাশ কৰে।

অনেক সময়ত তেওঁবিলাকে কাল্পনিক ভবিষ্যত সুখৰ পোহৰত বৰ্তমানৰ অন্ধকাৰ পেলাই দিয়ে। অনেক সময়ত অতীতৰ বাস্তৱ সুখৰ স্মৃতিয়ে বিদ্যুতৰ নিচিনাকৈ বৰ্তমান ঘনান্ধকাৰ শতগুণে ঘনীভূত কৰি দিয়ে। ভৱভূতিৰ নাটক *উত্তৰ ৰামচৰিতত* ৰাম যেতিয়া বনবাসৰপৰা উলটি আহিল, তেতিয়া ল'ৰাকালত আকৌ এবাৰ সীতাক বিয়া কৰাই প্ৰৱাসৰপৰা অহাৰ কথা তেওঁৰ মনত পৰিল। কিন্তু অতীতৰ সেই ভৰপূৰ জীৱন ৰস (life pulsation) আৰু বৰ্তমান এই ভীষণ ঔদাসীন্য। মহাকবি ভৱভূতিয়ে অকণমান শ্লোক এটাৰে কোমল কৰুণ ৰস প্ৰকাশ কৰিছেঃ

জীৱৎসু তাতপাদেষু নৱে দাৰপৰিগ্ৰহে।
মাতৃভিশ্চিন্ত্যমানানাং তে হি নো দিৱসা গতাঃ।।

অতীতৰ সেই সুখৰ ছবিয়ে কেৱল তেওঁক পিতাকৰ কথা সোঁৱৰাই দিলে, ৰামে চকুলো সামৰিব নোৱাৰিলে। ইয়াত বাজেও অসংখ্য ৰূপে সংযত শোক-ৰস সাহিত্যত প্ৰকাশ পায়। সেইবোৰ পুংখানুপুংখৰূপে এই প্ৰবন্ধত বিচাৰ কৰিব নোৱাৰি।

এতিয়া কৰুণ ৰসৰ দুটা অসাধাৰণ মূৰ্তিৰ কথা সংক্ষেপে কোৱা যাওক। আমি ওপৰত কৈ আহিছো, জগতত আশাৰ কণিকা নেদেখিলে মানুহ মৰি যায়, নহয় ধৈর্য আৰু ধৰ্মত আশ্ৰয় লয়। কিন্তু অনেক সময়ত দেখা যায় যে মানুহে ধৰ্মও নামানে, অথচ সংসাৰৰ কোনো ভাৱনাতে সান্ত্বনা নাপায়, অথচ পাগলো নহয়। তেতিয়া মানুহে কি কৰে? অনেক সময়ত সমাজৰ চকুত মহাপাপত লিপ্ত হৈ থাকিও হৃদয়ত গভীৰ বেদনা মানুহে হেঁচি ৰাখিব খোজে আৰু অনেক সময়ত বাৰুণী দেৱীৰ আশ্ৰয় লয়। সকলোৱে পাৰস্যৰ কবি আৰু দাৰ্শনিক পণ্ডিত ওমৰ খায়ামৰ *ৰুবায়েৎ* কবিতাৰ ইংৰাজী অনুবাদ পঢ়িছে। ওপৰে ওপৰে বিশেষ মনোযোগেৰে নপঢ়িলে — মদপীৰ কবিতা যেন লাগে, যদিও মাজে মাজে দুটা এটা দাৰ্শনিক ভাব আছে। কিন্তু সাহিত্যতো দৰ্শন নহয়। সাহিত্য হিছাপে ইয়াৰ মূল্য কি? সাহিত্য হিছাপে ইয়াৰ মূল্য ইয়াৰ গভীৰ শোকত। ইয়ে মহাবিজ্ঞানী পণ্ডিত এজনৰ বুকুৰ তেজেৰে লিখা। পণ্ডিতে জগতৰ তথ্য বিচাৰি বিচাৰি নাপাই জগতত কোনো শক্তিৰ ছায়াকে নেদেখিলে।

হৃদয়ৰ ভীষণ অশান্তিৰ ধুমুহা অলপ সময়ৰ নিমিত্তে পাহৰিবলৈও এহাতেৰে মদৰ গিলাচ হাতত লৈ এহাতেৰে সংসাৰ বিষয়ক তেওঁৰ জ্ঞান তেওঁ জগতক জনাইছে। কবিতাটো এইভাৱে লিখা হৈছে যে দাৰ্শনিক তথ্যবোৰ কৈ থাকোঁতে মনত যেতিয়া বিস্মৃত শোকসুৰ জাগি উঠে, তেতিয়াই মানসিক উদ্বেগ থমাবলৈ তেওঁ মদ এগিলাচ খাই লয়। তলত এফাকি কবিতা দিয়া হ'ল ঃ

Ah fill the cup, what boots it to repeat,
How time is slipping under our feet?

(ভাৰোৱাঁ, অহ, বাটিটো ভৰোৱাঁ। কৈ থাকিলে কি হ'ব, সময় কেনেকৈ দুভৰিৰ ফাঁকেৰে সৰকি যাব লাগিছে)

কৰুণ ৰসৰ আৰু এবিধ অসাধাৰণ মূৰ্তিৰ কথা আমি উল্লেখহে কৰিব পাৰোঁ। তাক বিশ্লেষণ কৰি দেখুৱাব লাগিলে প্ৰবন্ধ বহু দীঘল হৈ পৰে। তাৰ কেৱল নামহে কোৱা যাব। শোকৰ সেই অসাধাৰণ মূৰ্তি হৈছে- হাঁহি। আদিতে হাঁহি আৰু কান্দোনৰ একো পাৰ্থক্য নাই। যি কাৰণেই আমি হাঁহো, সেই কাৰণেই আমি কান্দো। কোনো এটা পদাৰ্থৰ ভাব আমাৰ মনৰ ভাবৰ লগত নিমিলিলে যি অসামঞ্জস্য ঘটে, সেই অসামঞ্জস্য-জ্ঞান

কোঠাটোত দৈন্যতকৈ অযত্নৰ চিন বেছিকৈ ফুটি উঠিছিল। দামী আচবাববোৰ লেতেৰা আৰু ধূলিময় — ক'ৰবাত আৱৰণ ফালি স্প্রিঙে দাঁত নিকটাইছে। মেজঢকা কাপোৰবোৰ কিজানি কেবাবছৰো ধোৱা নাই। সৰু ধাতৰ ফুলকটা ফুলদানি এটাত কিবা ফুলৰ ঠাৰি দুডাল কিমান দিন শুকাই আছে গৱেষণাৰ বিষয়। এখন বেৰত ডাঙৰীয়া-ডাঙৰীয়া লগা বুঢ়া এজনৰ, বোধকৰোঁ এওঁলোকৰ দেউতাকৰ, এনলার্জ কৰা ছবি এখন ধূলি আৰু মকৰাজালে ছাটি ধৰিছে; এচুকে যিশুখ্ৰিষ্টৰ ৰঙীন ছবি এখনো তেনে অৱস্থাতে কেৰেচীয়া হৈ ওলমি আছে।

ক্ষয়িষ্ণুতাৰ দুৰ্বিসহ গোমোঠা বতাহ একোঠালি তাত ৰুদ্ধ হৈ থকা যেন লাগিল।

"সেয়া আমাৰ দেউতা।"

গলগলীয়া মাতটোত মই উচাপ খাই চাই থকা ডাঙৰীয়া-ডাঙৰীয়া লগা ছবিখনৰপৰা চকু আঁতৰাই চাই দেখোঁ নিবাৰণ বৰুৱা ভিতৰ পিনৰ দুৱাৰমুখত থিয় হৈ আছে। এইবাৰ তেওঁ মলিয়ন হাতকটা গেঞ্জি আৰু মলিয়ন আঁচ-আঁচ শ্লিপিং পায়জামা পিন্ধি আহিছে, মুৰটো বেকব্ৰাছ কৰা। হাতত একোছা চাবি।

"ব'লক" বুলি তেওঁ আগুৱাই ওলাই আহিল। মই তেওঁৰ পিছ লৈ এনেয়ে সুধিলোঁ, "তেখেতে কি কৰিছিল, আপোনাৰ দেউতাকে?"

"দুহাতে পাৰেমানে আৰ্জিছিল আৰু দুহাতে পাৰেমানে দান কৰি ডাঙৰ মানুহ বোলাব খুজিছিল।" কেনিও নোচোৱাকৈ আৰু নিতান্ত অৱলীলাক্ৰমে কৰা এই মন্তব্যত মই মাত্ৰ "অ!" বুলি শলাগনি এষাৰ দি নীৰৱ হৈ গ'লোঁ। মোৰ চকুত ডাঙৰীয়া-ডাঙৰীয়া লগা দেউতাকৰ প্ৰতি পুতেকৰ কোনো শ্ৰদ্ধাই নাই।

সৰু চোতালখন পাৰ হৈয়ে বাঁওফালে ইটো ঘৰ। সৰু তিনি কুঠলীয়া ঘৰ। নিবাৰণে প্ৰকাণ্ড তলাটো খুলি সোমাই গৈ খিৰিকীবোৰ মেলি দিয়াত ঘৰটো ইটোতকৈ পুৰণি যেনেই লাগিল। বৰ ভাল নহয়, কিন্তু এটা পৰিয়াল থাকিব পৰা প্ৰায় সকলো সুবিধা আছে, বিশেষকৈ লাইট আৰু পানীৰ ব্যৱস্থা আছে। ঘৰটো ভাঙি পেলাই নতুনকৈ সাজিবৰ সময় পাৰ হৈ গৈছে। মজিয়া কেবা ঠাইতো ভাগি চূণ-চুৰ্কি ওলাইছে, বেৰত ফাঁট মেলিছে, কাঠবোৰ উঁয়ে খাই ফোপোলা কৰিছে, দুৱাৰ-খিৰিকীৰ হুকবোৰ ভালদৰে নালাগে।

কোঠাবোৰ দেখুৱাই দেখুৱাই নিবাৰণে ক'লে, "হাই গৱমেণ্ট অফিছাৰৰ কাৰণে উপযুক্ত ঘৰ এইটো নহয়। তথাপি ঘৰ নাপালে আপুনি ইয়াতে অন্ততঃ কিছুদিনলৈ থাকিব পাৰিব।"

যেন মোৰ মনৰ ভাব তেওঁ বুজিবহে পাৰিছিল। হাই গৱমেণ্ট অফিছাৰ বুলি কৈ মোক প্ৰকাৰান্তৰে ঠাট্টা কৰিলে নেকি, ভাবিবলৈ ধৰিলোঁ। গতিকে মৃদুভাৱেই প্ৰতিবাদ কৰিলোঁ, "ল'ৰা-ছোৱালী লৈ থাকিমতো, সেই কাৰণে সুবিধা-অসুবিধা চাই ল'বলগীয়া হৈছে। নহ'লে মইতো অকলে ডাকবঙলাতে পৰি আছোঁ।"

নিবাৰণে একো নামাতিলে।

আমি তাৰপৰা আকৌ তেওঁলোকৰ ঘৰলৈ আহিলোঁ। মোক বহিবলৈ কৈ তেওঁ ভিতৰ সোমাই গ'ল। মই গুণা-গঁথা কৰিবলৈ ধৰিলোঁ স্বয়ংসম্পূৰ্ণ ঘৰটো ল'ম নে নল'ম। ঘৰটো অপচন্দ হোৱা নাছিল, কিন্তু সঁচা কথা ক'বলৈ হ'লে অসামাজিক মালিকদ্বয়ৰ কাৰণে মোৰ অলপ দ্বিধাবোধ হৈছিল। বিশেষকৈ যাকেই পাইছোঁ সেয়ে এওঁলোকৰ বিৰুদ্ধে কোৱা কাৰণে।

নিবাৰণ আহি ছোফা এখনত বহিল।

মই সুধিলোঁ, "ঘৰটোৰ ভাৰা কিমান কৰিছে বাৰু?"

"অলপ ৰ'ব" বুলি তেওঁ ভিতৰৰ পিনে চাই চিঞৰিলে, "বাইদেউ, কি কৰিছ?"

প্ৰায় লগে লগেই দুহাতেৰে ট্ৰে এখন লৈ শকত-আৱত, নিয়মীয়া ওখ, তেজাল, ধুনীয়া মহিলা এগৰাকী সোমাই আহিল। বুজিলোঁ এৱেঁই মনোৰমা। পুষ্ট ওঁঠ দুটাত মিচিকিয়া হাঁহিৰ বোল। ছেণ্ট্রেল টেবুল এখনত ট্ৰেখন লাহেকৈ থৈ ডালিমগুটীয়া দাঁত দুপৰি উলিয়াই মোক নমস্কাৰ কৰি ক'লে, "চাহ একাপ খাওক।"

ময়ো থিয় হৈ প্ৰতি-নমস্কাৰ কৰি ক'লোঁ, "মই চাহ খায়েই আহিছিলোঁ। মোৰ কাৰণে নহ'লেও হ'লহেঁতেন।"

কিন্তু মোৰ কথালৈ কৰ্ণপাত নকৰি মনোৰমাই চাহ বাকিবলৈ ধৰিলে। নিবাৰণে সিজোৱা কণী আৰু টোষ্টেৰে চাহ খাবলৈ ধৰিলে। ময়ো শুদা চাহ একাপ ল'লোঁ। আমাৰ মাজত কথা ওলাবলৈ ধৰিলে। মই স্বাস্থ্যৱতী বিধৱা পাগলী মনোৰমাক লক্ষ্য কৰিবলৈ ধৰিলোঁ। ভাৰাঘৰৰ কথাই স্বাভাৱিকতে ওলাল।

নিবাৰণে ক'লে, " এখেতে ভাৰাৰ কথা সুধিছে। তয়েই ক।"

মনোৰমাই অস্বাভাৱিকভাৱে খেক্‌খেক্‌কৈ হাঁহি হাঁহি ক'লে, "কিমান হ'ব আৰু, এক হাজাৰ মান দিব।" আকৌ হাঁহি। ভয়ে ভয়ে ময়ো হাঁহিবলৈ চেষ্টা কৰিলোঁ।

তেখেতৰ শেষ বয়সত হোৱা সন্তানহে। বিনন্দেশ্বৰ বৰুৱা আৰু পত্নী দুগৰাকীৰ মৃত্যু ল'ৰা-ছোৱালীহালৰ নিচেই কম বয়সতে হৈছিল। শুনা যায়, তত্ত্বাৱধায়কসকলে ল'ৰা-ছোৱালী দুটাক বঞ্চিত কৰি সম্পত্তি আত্মসাৎ কৰিব খুজিছিল আৰু সেই কাৰণে তেওঁলোকৰ জীৱন কুমলীয়াতে নষ্ট হ'বলৈ বাট মুকলি কৰি দিছিল। তাৰ ফলত বাহিৰত পঢ়োৱা-শুনোৱাৰ সুবিধা কৰি দেখুৱায়ো তেওঁলোকে মনোৰমাক অপক্ষাকৃতভাৱে কম বয়সতে এজন বয়সস্থ বিগতদাৰলৈ বিয়া দিছিল, যাৰ ফলত তেওঁ অকালতে বিধৱা হ'ব লগাত পৰিল। নিবাৰণেও কলেজত পঢ়ি থাকোঁতেই মদ খাবলৈ শিকিলে আৰু এবাৰ আত্মীয়-স্বজনৰ অভিসন্ধি বুজিব পাৰি মাৰ-পিট কৰি নিজেই নিজৰ ভাৰ ল'লে আৰু ইতিমধ্যে বলিয়া হ'ব ধৰা বায়েককো লগলৈ আনি ল'লে।

বিনন্দেশ্বৰ বৰুৱাই নিজৰ জীৱনটো আৰু ঘৰখন বৰ সাত্ত্বিকভাৱে পৰিচালনা কৰিছিল। লগা-ভগা হওক-নহওক, গাঁও-ভূঁইৰপৰা অসংখ্য মানুহ অহৰহ তেখেতৰ ঘৰলৈ আহিছিল। চাৰকাৰীভাৱে হওক, ব্যক্তিগতভাৱে হওক, সকলো শৰণার্থীকে তেখেতে সকলো প্রকাৰে সহায় কৰিছিল। কোনো মানুহ বিপদত পৰিছে বুলি প্রত্যয় গ'লে তেখেতে অন্তৰৰ লগতে বাকচ খুলি উজাৰ কৰি উদ্ধাৰো কৰিছিল। পুণ্য কৰ্মত দান-বৰঙণি দিবলৈকো কেতিয়াও পিছ নপৰিছিল। সেইবাবে ধন প্রচুৰ পৰিমাণে আৰ্জিছিল যদিও প্রচুৰ পৰিমাণে ব্যয়ো কৰিছিল। সেয়ে যেনিবা পুতেকে ক'বৰ দৰে ডাঙৰ বোলাবলৈ হয় নে নহয় কোৱা টান। যিবিলাক মানুহে বিন্দেশ্বৰ বৰুৱাক সোঁৱৰে সেইবিলাকে ভক্তিসহকাৰেই সোঁৱৰে, সমালোচনা নকৰে। কিন্তু খুব সম্ভৱ তেখেতে ল'ৰা-ছোৱালীক নিজৰ আদর্শ অনুযায়ী লালন-পালন কৰিবলৈ সময় নাপালে। কাৰণ নিবাৰণ আৰু মনোৰমাৰ মাজত প্রাচীন, প্রতিপত্তিশীল, সাত্ত্বিক দেউতাকৰ কোনো চিন নাই। নিবাৰণ নিষ্কর্মা, উগ্র মদাহী বুলি আৰু মনোৰমা পাগলী বুলি ওচৰ-চুবুৰিয়া সকলো মানুহে তেওঁলোকৰ সংসর্গ ত্যাগ কৰিলে।

যি হওক, গধূলিৰ ভিতৰতে তেওঁলোকৰ ঘৰটো ল'বলৈ মই স্থিৰ কৰি পেলালোঁ। কাৰণ আন যি দুই-এটা ঘৰৰ সন্ধান মোক দিয়া হৈছিল সেই কিটাৰ ক'ৰবাত কিহবাৰ বেয়া অসুবিধা আৰু কোনোটো ঘৰ পোৱাৰে অনিশ্চয়তা। আনহাতে পহিলা তাৰিখ আহিলেই। আন কোনোবাই এইটো ঘৰো লৈ পেলালে পৰালি পৰিব। পৰিয়ালটোক আৰু লাজ-মান কাটি কৰি থৈ কিমান দিন শহুৰৰ ঘৰত থ'ম?

গতিকে পিছ দিনা ৰাতিপুৱা গৈ নিবাৰণ বৰুৱাক ঘৰটো ল'ম বুলি ক'লোঁ আৰু পাৰিলে সেই দিনাই অলপ সৰাই-মচাই থ'বলৈ ক'লোঁ; কাৰণ তাৰ পিছদিনা দেওবাৰে হয়তো মই বিছনা-পত্র লৈ সোমামগৈয়ে। ঘৰৰ চাবি এটা মোক দিয়া হ'ল। আবেলি যিমান দূৰ পৰা যায় বেতৰ চকী-মেজ কেইখনমান, পর্দাৰ কাপোৰ কেইগজমান আৰু অলপ বন্ধা-বঢ়াৰ সঁজুলি মোৰ ব্যক্তিগত পিয়ন সৎৰামৰ সৈতে সংগ্রহ কৰি থ'লোঁ।

দেওবাৰে ৰাতিপুৱা সৎৰামে-ময়ে ঘোঁৰাগাড়ী এখনত বস্তু-বাহানি লৈ নতুন ঘৰলৈ গ'লোঁ। ঘৰটো চাফ-চিকুণ কৰি থোৱা হৈছিল। তথাপি সৎৰামে আকৌ এবাৰ মচি-কাচি ল'লে। মই জোখ-মাখ কৰি পর্দাকিখন ওচৰৰ দর্জি দোকান এখনত চিলোৱাই আনিলোঁ। সৎৰামে বজাৰ-সমাৰ কৰি ভাতমুঠিৰ দিহা কৰিছিল। পর্দাবোৰ সুতলিৰে আঁৰি দি গা ধুবলৈ লৈ মই তাক ঘৰৰ মালিকৰ খবৰ সুধিলোঁ। ঘৰত বোলে কোনো নাই। নিবাৰণ ৰাতি ঘৰলৈ নাহিলেই; আইদেৱো ৰাতিপুৱাতে ৰিক্সাত উঠি কেনিবা ওলাই গৈছে। ঘৰত মাত্র বান্ধনিটো আছে। সৎৰামে মই কোৱাতকৈ ৰান্ধনিটোৰপৰা অলপ বেছি খবৰ সংগ্রহ কৰিছে ঃ নিবাৰণ এইদৰে ঘৰলৈ নহাটো সাধাৰণ কথা; মনোৰমাও হঠাৎ কেনিবা ওলাই যোৱাটো সাধাৰণ কথা; আনকি এবাৰ মনোৰমা হেনো কেবা বছৰলৈ ক'ৰবাত আছিলগৈ; মানুহে কয় কাৰোবাৰ লগত পলাই গৈছিল; নিবাৰণে বিয়া কৰোৱা নাই; কিন্তু মদ খালেও তেওঁৰ আন কোনো "পাপ" আছে বুলি মানুহে ক'ব নোৱাৰে; তেওঁৰ সমাজত কাৰো লগত কোনো ধৰণৰ সম্বন্ধ নাই; মানুহে তেওঁৰ লগত কথা ক'বলৈকো ভয় কৰে; ৰান্ধনিটো বহু দিনৰ মানুহ, সেইবাবে সি নিজৰ মতে নিৰৱে কাম কৰি যায়।

খাই-বৈ উঠোঁতে বেলি লহিয়ালে। বাগৰ এটা মাৰি পাৰিবাৰলৈ চিঠিকে এখন লিখি জনালোঁ যে ঘৰ এটা কোনোমতে পাইছোঁ, দুই-তিনি দিনতে টেলিগ্রামেৰে জনাম তেওঁলোক কেতিয়া আহিব লাগিব, ইত্যাদি। গধূলি ফুৰিবলৈ এপাক ওলাই গ'লো। দুপৰীয়াৰ পিছতে মনোৰমা ঘূৰি আহিছিল বুলি শুনিলোঁ। নিবাৰণ হ'লে অহা নাছিল।

ঘূৰি আহোঁতে ভালেখিনি পলম হ'ল। বন্ধু এজনে পাই জোৰ কৰি ছিনেমা হল এটাত সুমুৱাই দিলেগৈ। কিন্তু দূৰৰপৰা "নিজৰ ঘৰৰ" লাইট জ্বলি থকা দেখি মনটো ভাল লাগি আহিল। পিছে আগফালৰ কোঠাটোত সোমায়েই দেখিলোঁ নতুন বেতৰ চকী এখনত হাত সাবটি থমথমকৈ বহি আছে নিবাৰণ বৰুৱা, আঙুলিৰ চেপাত ছিগাৰেট এটা এনেয়ে জ্বলি গৈ আছিল।

মোক দেখি নিবাৰণ ঘপহ কৰে উঠিল, আৰু সসম্ভ্রমে, থৰক-বৰক হাতেৰে অনুষ্টুপীয়া নমস্কাৰ এটা দি ক'লে, "মই বৰ দুখিত চলিহা ডাঙৰীয়া যে আপোনাক আমাৰ ঘৰত থাকিবলৈ মাতিও সময়মতে নিজে উপস্থিত থাকিব নোৱাৰিলোঁ।"

মই বৰ ব্যস্তভাৱে "বহক বহক, সেইটো কি কথা, বহক" বুলি তেওঁক পুনৰ বহিবলৈ অনুৰোধ কৰিলোঁ। তেওঁ স্থিৰ হৈ ৰ'ব পৰা নাছিল; চকু দুটা ৰঙা; ডাঢ়ি খুৰোৱা নাই। বুজিলোঁ যে কালি ৰাতিৰেপৰা অব্যাহত মদ্যপানৰ অব্যবহিত পিছতেই নিবাৰণ বৰুৱা আহি মোৰ ঘৰত উপস্থিত। কিন্তু বুজি নাপালোঁ কিয়ই বা তেওঁ আহিল আৰু কিয়ই বা তেওঁৰ ইমান নম্র আৰু ভদ্র ব্যৱহাৰ।

নিবাৰণে বৰ অর্থপূর্ণভাৱে হাঁহিলে। "এই সংসাৰত দুখ নোহোৱা মানুহ কোনোবা আছেনে? আমাৰ দেউতা এজন সম্ভ্রান্ত, প্রতাপী, চহকী মানুহ আছিল। কিন্তু তেখেতৰ জানো দুখ নাছিল? শেষ বয়সলৈকে সম্পত্তি খাবলৈ বা উত্তৰাধিকাৰী হ'বলৈ কোনো ল'ৰা-ছোৱালী হোৱা নাছিল। সমাজৰ সকলোৱে সন্মান কৰা মানুহ আছিল যদিও দেউতাই জানো সেই সন্মান এনেয়ে পাইছিল? দস্তুৰমতে কিনিব লগাত পৰিছল। ধন নথকা হ'লে আৰু দুহাতে খৰচ নকৰা হ'লে তেখেতক কোনে মানিলেহেঁতেন?"

কথাবোৰ ক'ৰবালৈ পিছলি যোৱা যেন লাগে। কিন্তু কথাবোৰৰ যুক্তিও নোহোৱা নহয়। বিনন্দেশ্বৰ বৰুৱাৰ দুখ হয়তো আছিল, যি কথা কোনেও নাজানিলে। মই একো মন্তব্য নকৰিলোঁ। সৎৰামে দুবাৰমান পর্দাৰ আঁৰৰপৰা ভুমুকি মাৰি গৈছিলহি। মই ইংগিতেৰে তাক ওলাই নাহিবলৈ নির্দেশ দিছিলোঁ।

নিবাৰণেই আকৌ ক'লে, "মই কিন্তু মান-সন্মান বিচাৰি ফুৰা নাই। তাৰ কাৰণে মই একো কৰা নাই — কেৱল কাজিয়াহে কৰিছোঁ। আমাৰ দুটাক সৰুৰেপৰা মোমাইদেউহঁতে লালন- পালন কৰিছিল। কিন্তু মোমাইদেউৰ চকু আছিল আমাৰ সম্পত্তিৰ ওপৰত। বাইদেউক বুঢ়া দৰালৈ কম বয়সতে বিয়া দিয়াৰ উদ্দেশ্য সেয়া আছিল। মোকো সা-সম্পত্তিৰ কথা একো জানিবলৈ নিদি তলে তলে কাগজ-পত্রবোৰ নষ্ট কৰিব খুজিছিল। কিন্তু কথাই কথাই মই সকলো গম পালোঁ। পইচা খোজাত যেতিয়া ধমক দিবলৈ ধৰিলে, মদৰ কাৰণে পইচা দিব নোৱাৰোঁ বুলি ক'লে, তেতিয়া সকলো সম্পত্তি লৈ আঁতৰি আহিব খুজিলোঁ। মোমাইদেৱে নানান বুদ্ধি কৰি মোক বিৰত কৰিব খুজিছিল। মই ভীষণ গণ্ডগোল লগাই দিলোঁ। মাৰ খোৱাৰ ভয়ত তেওঁ সকলো গতাই দিলে। কিন্তু নগদ টকা এপইচাও নিদিলে। আমাৰ পঢ়া-শুনাত খৰচ হৈ গৈছে বুলি ক'লে। অথচ আমাৰ মাটিৰ ধানেৰেই অত বছৰ সংসাৰ চলিছিল।"

এনেতে বাহিৰৰ ফালে খোজৰ শব্দ শুনি আমি উভতি চালোঁ — হাঁহি হাঁহি সোমাই আহিছে মনোৰমা দুৰৰা। মই থিয় হৈ নমস্কাৰ জনাই ক'লোঁ "আহক।" তেতিয়া ৰাতি চাৰে দহমান বাজিছিল।

নিবাৰণে সুধিলে, " তই কিয় আহিলি?"

বায়েকে চকী এখনত খপ্ কৰে বহি ক'লে, "তোকে বিচাৰি আহিলোঁ। বোলোঁ ইমান পৰেনো ঘৰলৈ অহা নাই কিয়?"

মই অলপ পাতল সু�ৰত ক'লোঁ, " ভায়েকলৈ দেখিছোঁ আপোনাৰ বৰ মৰম"

মনোৰমাই খুক্‌খুক্‌কৈ হাঁহি মূৰ দুপিয়াবলৈ ধৰিলে। ইমান ধুনীয়া আৰু স্বাস্থ্যৱতী মানুহজনী, বিকৃতমস্তিষ্ক বুলি ভাবিবলৈকে টান লাগে। জীয়াই থাকিও জীৱনৰপৰা বঞ্চিতা; এই অৱস্থা জীৱনৰ নিকৃষ্টতম ট্রেজেডি।

মোৰ লগত সুৰ মিলাই নিবাৰণে ক'লে, "এনে মৰম পাইছোঁ নহয় দুদিন-তিনি দিনলৈ নাহিলেও খবৰ নাৰাখে।"

ভায়েকৰ কথালৈ কাণ নিদি মনোৰমাই ঘপ্ কৰে উঠি ক'লে, "অ' আপুনিনো কেনেকৈ ঠিক-ঠাক কৰি লৈছে মই চাওঁ দেই। ৰন্ধ-বঢ়া হৈছেনে নাই?" এইবুলি কৈ মোৰ সমিধানলৈ বাট নাচাই তেওঁ ভিতৰলৈ সোমাই গ'লেই।

নিবাৰণৰ ওঁঠৰ ওপৰেদি মৃদু হাঁহি খেলি গ'ল। যেন তেওঁ বায়েকৰ আচৰণত এটা আমোদহে পাইছে। "ডাক্তৰে কয়, মনত ডাঙৰ আঘাত পায়েই বাইদেউৰ এনেকুৱা অৱস্থা হ'বলৈ পালে।" নিবাৰণে যেন ইমান দিনে আত্মজীৱনী শুনিবলৈ মানুহ এজন বিচাৰিহে আছিল। "নিচেই কম বয়সতে বুঢ়া দৰালৈ বিয়া দিয়াত তাইৰ সকলো আশা-আকাংক্ষাৰ মূৰত কুঠাৰাঘাত পৰিল। তাৰ উপৰিও হেনো শহুৰেকৰ ঘৰত তাইক ভীষণ অত্যাচাৰ কৰিছিল, কাৰণ গিৰীয়েকৰ বাহিৰে এই বিয়াত কোনেও সন্মতি দিয়া নাছিল। গোৰটো-ঢকাটো খোৱা হেনো তাইৰ নিত্য নৈমিত্তিক হৈছিল। সৰু ছোৱালী, কিমান চম্ভলিব? তথাপি কেবা বছৰো কটালে, এটা ল'ৰা হৈ মৰিল। তাৰ পিছত গিৰীয়েকটো মৰি থাকিল। তাইৰ ওপৰত উৎপাত-অত্যাচাৰ বেছিহে হ'ল। শেষত তাই তাল ৰাখিব নোৱাৰিলে—মূৰ বেয়া হৈ গ'ল। ঠিক সেই সময়তে ঘৰ-বাৰী চমজি লৈছিলোঁ। তাইক লৈ আহিলোঁ।

মনোৰমাই ৰান্ধনিঘৰত সৎৰামক কিবাকিবি প্রশ্ন কৰা আমি শুনিবলৈ পালোঁ। আমি পৰস্পৰৰ চকুলৈ চালোঁ। যেন আলোচনাহে কৰিলোঁ আৰু এটা সিদ্ধান্ত কৰিলোঁ। দুয়ো প্রায় একেলগে উঠি ভিতৰৰ পিনে খোজ ল'লোঁ। মোৰ পিছে পিছে অহা নিবাৰণে ক'লে, "বাইদেৱে অৱশ্যে একো গণ্ডগোল নকৰে। মাত্র হুচ নাথাকে, ভূর্ভং নাথাকে, কেতিয়া ক'লৈ যায়গৈ ঠিক নাথাকে।"

পাকঘৰত সোমাই সৎৰামৰ ওপৰত কিবা উৎপাত কৰিব বুলি যেন মই ভয়হে খাইছিলোঁ আৰু সেইবাবেই নিবাৰণে সেইদৰেই যেন কৈফিয়ৎ দিলে।

আমি পাকঘৰৰ দু�ৰাৰ মুখত থিয় দিলোঁগৈ। সৎৰাম একাষে কুচি-মুচি থিয় হৈ আছে। মনোৰমাই সৰু ছোৱালী এজনীৰ দৰে পাকঘৰৰ সামান্য আয়োজনতে পিটপিটাই ফুৰিছে। আমাক দেখি তেওঁ ক'লে, "এওঁ বহুত কিবা-কিবি ৰান্ধিছে — বত্রিছ ব্যঞ্জন। (ভায়েকক) আমিও ইয়াতে

খায়ো ইমান যুক্তিসংগত, উদাৰ, বিবেচক কেইটা মদ নোখোৱা মানুহ হ'ব পাৰিছে? পাগলী বুলি জানিও বায়েকক নিজৰ ওচৰলৈ লৈ আহিছে, সম্পত্তিৰ ভাগ দিম বুলিছে, ইয়াতকৈ ভাল কাম আৰু কি হ'ব পাৰে?

পিছদিনা অলপ বেলিকৈ সাৰ পালোঁ। নিবাৰণহঁতৰ ঘৰত উচ্চস্বৰে হোৱা তর্ক-বিতর্ক আহি কাণত পৰিল। আঠ বাজিবৰ হৈছিল। দাঁত ঘঁহি ঘঁহি আগপিনে ওলাই গ'লোঁ। নিবাৰণে দুৱাৰমুখত থিয় হৈ মেকানিক ধৰণৰ মানুহ এটাৰ লগত কাজিয়া কৰি আছে। "বাবুটো মোৰ লগত গৈছিল কাৰণেই তেওঁ লৈ যোৱা টেক্সিৰ ভাৰা মই দিব লাগিব নেকি? নিবাৰণে কৈছে, "মই তোক কৈছিলোঁ নেকি গাড়ী দিবলৈ? কৈছিলোঁ?"

মানুহটোৱে অভিযোগ কৰিলে, "কিন্তু তেওঁতো আপোনাৰ ওচৰলৈ আহিবলৈ কৈছিল।"

"একেটা কথাকে বাৰে বাৰে কৈ নাথাকিবি দেই।" নিবাৰণ এখোজ আগুৱাই আহিল। "মই যেতিয়া ক'ম, তোক পাইচা দিম। নক'লে কিয় দিম? যা, মোক ৰাতিপুৱাই দিগদাৰ নকৰিবি।"

মানুহটো আৰু একো উচ্চ-বাচ্য নকৰি লাহে লাহে আঁতৰি গ'ল। নিবাৰণ আৰু মোৰ চকুৱে চকুৱে পৰিল। তেওঁ ঘোপাকৈ মৌলৈ চাই থাকিলে। মই লাজ পাই তলমূৰ কৰিলোঁ। কাজিয়াখন খেল চোৱাৰ দৰে চাই থকাটো মোৰ অভদ্রামি হৈছে। মই লৰালৰিকৈ ভিতৰ সোমাই গ'লোঁ।

নিবাৰণে মোক গালি-চালি পাৰে বুলি বৰ ভয় লাগিছিল। কিন্তু সেইবোৰ একো নহ'ল। দুদিনমানলৈ মই তেওঁলোকক দেখাই নাপালোঁ। দিনৰ দিনটো অৱশ্যে অফিছতে যায়। কিন্তু ৰাতিও এই কেইদিন তেওঁলোক মোৰ ওচৰলৈ অহা নাছিল। ইপিনে কিন্তু নিবাৰণে সেইদিনা ৰাতি দিয়া নির্দেশ মতেই কেবাখনো পুৰনি কিন্তু মসৃণ মজবুত চকী-মেজ আনি মোৰ বাহিৰৰ কোঠা, ভিতৰৰ কোঠা গোটেইখন শুকুৰা আৰু সৎৰামে ভৰাই পেলালে।

নিবাৰণৰ সেই মূর্তিটো মোৰ কাৰণে নতুন। নিজকে লেতেৰা মদাহী বুলি তেওঁ কৈছেই। মদৰ আড্ডাত মৰামৰিও কৰে বুলি শুনিছিলোঁ। সেই উগ্র মূর্তি নিজৰ চকুৰে দেখিলোঁ। সেইটো মূর্তি ধৰি মোৰ সন্মুখত থিয় নিদিলেই হয়। মোৰ চূর্তি হেৰাব।

কিন্তু টেক্সিৰ ভাৰা বিচাৰি অহা মানুহটোক তেওঁ অকাৰণত খং কৰা যেন নালাগিল। বৰং অযথা তেওঁৰপৰা সুবিধা ল'ব খোজাৰ প্রতিকাৰ কৰা যেনহে লাগিল। সততাৰ পথত বদনাম পালে খং আৰু দুখৰ মাত্রা দুগুণে বৃদ্ধি হোৱাই স্বাভাৱিক।

স্থানীয় বন্ধু-বান্ধৱে মোক ঘৰটো লোৱা কাৰণে ভর্ৎসনা আৰু সমালোচনা কৰিবলৈ ধৰিলে। মই বোলে পস্তাবলৈ বেছি দিন নালাগিব। গুণ্ডাতকৈ ছাৰ নিবাৰণে যেতিয়া ৰাতি মদ খাই ঘৰত সোমাই উৎপাত লগাব তেতিয়াহে বোলে মই বুজিম। উত্তৰত মই প্রথম নিশাৰ অভিজ্ঞতাৰ এটা সাৰাংশ দাঙি ধৰিলোঁ। বন্ধু-বান্ধৱে ক'লে, এদেও দুদেও লোটা নিয়াৰ ছেও !

তেওঁলোকে আৰু জনালে যে মনোৰমা দুৱৰা বিধৱা হৈ অহাৰ পিছতে এবাৰ এজন মানুহৰ লগত পলাই গৈছিল। মই সোঁৱৰাই দিলোঁ যে মনোৰমাৰ মানসিক বিকৃতি ঘটিছে, কি কৰে নকৰে তেওঁ নিজেই নাজানে। বন্ধু-বান্ধৱে ক'লে, মনোৰমাৰ একো বিকৃতি ঘটা নাই; তেওঁ ভাও ধৰিহে থাকে, আচলতে বেয়া মৎলবত ঘূৰে। মই ক'লোঁ, মনোৰমাই বেয়া মৎলবত ঘূৰে বুলি মই বিশ্বাস নকৰোঁ; যদি ঘূৰেও, তেন্তে তাতো আপত্তিৰ মই কোনো কাৰণ নেদেখোঁ; গাভৰু ছোৱালী হিচাপে মনোৰমাৰ জীৱন বঞ্চনাৰ জীৱন, ভোগৰ বাসনা তেওঁৰ একো অপ্রাকৃতিক বাসনা নহয়; আমাৰ ভদ্র সমাজতে কিমান যৌন বিকৃতিৰ দুর্ঘটনা ঘটিব লাগিছে তাৰ লেখ কোনে লয়? মনোৰমাৰটো মাত্র চকুত পৰিছে — যদিহে সচাঁ হয়; বাকীবোৰ চকুত পৰা নাই; সেইবুলি মিছা হ'বনে?

বন্ধু-বান্ধৱে হাত-চাপৰি বজাই মোক সাধুবাদ দিবলৈ ধৰিলে। মই এনে বন্ধু-বান্ধৱক এৰাই ফুৰিবলৈ ধৰিলোঁ। এওঁলোকে নিবাৰণহঁতক সত্য ৰূপত মোৰ দৰে চাব জনা নাই, চাবলৈ চেষ্টাও কৰা নাই। তদুপৰি সর্বসাধাৰণ মানুহে আনৰ বেয়াটোহে দেখে, ভালটো নেদেখে আৰু ভালটো নিবিচাৰেও; আনৰ বেয়া হ'লে এওঁলোকে বৰ ভাল পায়। সেইবাবে নিবাৰণহঁতক একে আষাৰে এঘৰীয়া কৰি থৈছে। মই এওঁলোকক এৰাই ফুৰিবলৈ ধৰিলোঁ।

দুদিনমান পিছতে শুনিলোঁ নিবাৰণ জেলত পৰিছে। খবৰটো দিলে সৎৰামে। তাক দিলে শুকুৰাই। নিশ্চয় ক'ৰবাত মৰামৰি কৰিছে আৰু পুলিছৰ ওচৰত কিবা জগৰ লগাই হাজোতত থাকিবলগীয়া হৈছে। শুকুৰাৰ একান্ত অনুৰোধ, সৎৰামে ক'লে, মই হেনো কিবা এটা কৰিব লাগে। কাৰণ আজিলৈকে নিবাৰণ জেলত পৰা নাছিল। কালিৰেপৰা মনোৰমাও ঘৰত নাই। কি কৰিব লাগিব শুকুৰাই ভাবি উলিয়াব পৰা নাই।

মই তৎক্ষণাৎ থানালৈ গ'লোঁ, অ'চিৰপৰা নিবাৰণৰ বিষয়ে সকলো জানিব খুজিলোঁ-- জনালোঁ যে মই তেওঁক জামিনত মোকোলাই নিব খোজোঁ। ঘটনাটো বৰ ডাঙৰ নহয়, সাধাৰণ আইন-শৃংখলাৰ কথা। বজাৰৰ মাজতে মটৰ এখনে নিবাৰণৰ বন্ধু এজনক খুন্দিয়াই অলপ জখম কৰিলে। নিবাৰণো ওচৰতে আছিল। দোষ বোলে মটৰ চলোৱা ভদ্রলোকৰে আছিল। কথা কটা-কটি হ'ল, ভদ্রলোকে আহত জনকহে দোষ দি বৰ ডাঙৰ ডাঙৰ কথা কোৱাত নিবাৰণে ধৰি তেওঁক ইমান বেয়াকৈ মাৰিয়াই দিলে যে আহত আৰু আঘাতকাৰী দুয়োকে একেলগে হাস্পাতাললৈ নিব লগা হ'ল। পুলিছ গৈ পালত নিবাৰণ জেললৈ আহিব লগা হ'ল। তেওঁৰ পক্ষে মাত দিওঁতা এজনো মানুহ নোলাল।

মই লাহেকৈ ক'লোঁ, "যাব পাৰোঁ। পিছে মই এইবিলাকত অনভ্যস্ত। সেইবাবে অলপ ভয় লাগে। কিন্তু আপুনি লগত থাকিলে গা-মন দুয়ো ঠাইতে বল পোৱা যেন লাগে। ব'লক।"

হঠাৎ, মই তর্কিব পৰাৰ আগতেই, নিবাৰণ সাউৎ কৰে হাউলি মোৰ ভৰি দুটা ছুই ক'লে, "আপুনি মহৎ, চলিহা ডাঙৰীয়া, আপুনি গ্রেট !" মই দুখোজ পিছুৱাই আহিলোঁ। "ব'লক, ভয় নকৰিব। সিহঁতৰ তাত যদি আছে তেন্তে আপোনাৰ গাত চেকা পৰাৰ কোনো ভয় নাই। সিহঁত বৰ ডাঙৰ স্মাগ্‌লাৰ। সিহঁতে আইনৰ সহায় কেতিয়াও নলয়। বিদেশী মদৰ কাৰণে সিহঁতৰ লগত মোৰ চিনাকি। আপোনাক কিবা দিগদাৰ কৰিলে মই ঠাণ্ডা বনাই দিম।"

শুকুৰাই দুখন দহটকীয়া নোট আনি নিবাৰণক দিলে। আমি তৎক্ষণাৎ ঘৰৰপৰা ওলালোঁ। মই শুকুৰাক ক'লোঁ সৎৰামকো ইয়াতে আমালৈ ৰৈ থাকিবলৈ ক'বলৈ।

গধূলি হৈ আহিছিল। আমি কোবাকুবিকৈ খোজ ল'বলৈ ধৰিলোঁ। ৰিক্সা এখন চাবলৈ ধৰিলোঁ। আধা ফার্লংমান যোৱাৰ পিছত মানুহ এটাই সন্মুখতে ৰৈ মাত লগালে, "নিবাৰণ বাবু !" মই চিনি পালোঁ, সিদিনা ভাৰা বিচাৰি কাজিয়া কৰিবলৈ যোৱা ড্রাইভাৰটো।

"কি হ'ল ?" নিবাৰণে খঙেৰে সুধিলে।

"একো নহয়। আপোনাক বিচাৰি গৈছিলোঁ।" মানুহটোৱে সেমেনা-সেমেনি কৰিবলৈ ধৰিলে।

"কিয় ?"

"সেই দিনাৰ বাবুটোৱে পইচা দি গৈছে আৰু আপোনাক খোজা কাৰণে বেয়া পাইছে। আপুনি বেয়া নাপাব আৰু"

"নিবাৰণে ক'লে, "তোৰ টেক্সি ক'ত ?"

"সৌখন, সৌ তাত।"

"খালী আছে ?"

"আছে ? লাগিব নেকি ?"

"আহ। বৰ জৰুৰী।"

আমি কোবা-কুবিকৈ ড্রাইভাৰৰ লগে লগে গ'লোঁ। মৰা-মৰি লাগে বুলি মই কোটৰ জেপত হাত ভৰাই কিবা আছে নেকি চাইছিলোঁ — জোঙা কাঠ পেন্সিল এডাল পালেও কামত আহিব পাৰে। পিছে কাপোৰৰ গাঁথ বন্ধা দীঘল ৰছী এডালহে পালোঁ। আঁঠুৰা বান্ধিবৰ মনেৰে কোনোবা গোলাত পাই লৈ থৈছিলোঁ হ'ব পায়।

টেক্সি ছুটিল। মোৰ বুকু দুৰু-দুৰু কঁপিবলৈ ধৰিলে। কি হয় কোনো জানে ? নিবাৰণ নিৰৱ। ড্রাইভাৰে গোঁ-গোঁৱাই গৈছিল, "চালা কুত্তাক পিঠা কৰিব লাগিব।" নিবাৰণে চমুকৈ ঘটনাটো তাক কৈছিল।

এটা সৰু বাটৰ মাজৰ টেক্সি ৰ'লগৈ। নিবাৰণে নামি গৈ পু�ৰণা ঘৰ এটাত কিবা খবৰ কৰি আহিল। আকৌ টেক্সিলৈ আহি ক'লে, "ব'ল, ইয়াত নাই। কেবাদিনো অহা নাই বোলে।"

টেক্সি আকৌ চলিল। এমাইলমান ঘূৰি-পকি আৰু এটা আন্ধাৰ ৰাস্তাত ৰ'লগৈ। তাতো সুন্দৰলালক পোৱা নহ'ল। ধাম কৰে দু�ৱাৰখন বন্ধ কৰি নিবাৰণে ক'লে, 'চালা বোলে নতুন ঘৰলৈ গৈছে ! ইয়াৰ মানুহে কৈছে। ব'ল, ঘুৰা গাড়ী।"

টেক্সি ঘূৰি আহি ভদ্রলোকৰ চুবুৰি এটাত সোমাল। ঠাইডোখৰ নিজান। ঘৰবোৰ সেৰেঙা। এটা অকলশৰীয়া মজলীয়া ঘৰৰ পদূলিত গাড়ী ৰখাই নিবাৰণ নামিল। আমিও নামিলোঁ। কাৰণ বাহিৰখনত আন্ধাৰ যদিও ভিতৰত পোহৰ থকা যেন লাগিল। নিবাৰণ সোমাই গৈ বন্ধ দুৱাৰৰ সন্মুখত থিয় হ'লগৈ। আমিও পদূলিয়েদি সোমাই গ'লোঁ। ঠিক সেই সময়তে বন্ধ দুৱাৰখন মেল খাই গ'ল। ভিতৰত লাইট জ্বলি উঠিল। আমি দুৱাৰমুখত থিয় দিলোঁগৈ। ছুইচৰ ওচৰত পেণ্ট-হাৱায়ান-ছেণ্ডেল পিন্ধা ৰঙামুৰা ওখ-পাখ, শকত-আৰত মানুহ এজন। কোঠাটোত একো আচবাব নাই; বাঁওফালে হেছিয়ান স্ক্রিন এখন মাত্র।

"ব্রুৱা" ৰঙামুৰাৰ সম্বর্ধনা।

"মনোৰমা ইয়াত আছে ?" কর্কশ সুৰত নিবাৰণে প্রশ্ন কৰিলে।

মানুহজনে ভ্রুৰ হাঁহি এটা মাৰি ক'লে, "ইমান চিন্তা কিয় কৰিছা ব্রুৱা ? মনোৰমাতো ঘৰত প্রায় থাকে না"

"সুন্দৰলাল" নিবাৰণৰ কঠোৰ স্বৰত ময়ো চঁক খাই উঠিলোঁ।

কিন্তু সুন্দৰলালে ভয় নাখালে। "যদি আছে উদ্ধাৰ কৰিবা নেকি ? কিন্তু ব্রুৱা তুমি আমাৰ বহুত টকা নাই দিয়া। আমি আজি মনোৰমাক নাই ছাৰিবে।"

নিবাৰণে প্ৰথমে কি গাইছিল ধৰিব পৰা নাছিলোঁ। তেওঁৰ মাতটো সঁচাই বেয়া। গান গাব নোৱাৰে। কিন্তু কি গাইছে যেতিয়া বুজিব পাৰিলোঁ তেতিয়া চঁক খাই উঠিলোঁ ঃ "শিয়ালী এ নাহিবি ৰাতি, তোৰে কাণ কাটি লগামে বাতি। শিয়ালীৰ মূৰৰে মৰুৱা ফুল, শিয়ালী পালেগৈ ৰতনপুৰ।।" গীতটোত নতুনত্ব একো নাই যে চঁক খাই উঠিব লাগিব। যিকোনো অসমীয়া মানুহৰ ঘৰতে এই ল'ৰা-ছোৱালী ওমলোৱা গীতটো শুনিবলৈ পোৱা যায়। কিন্তু নিবাৰণৰ নিচিনা এটা অসামাজিক মানুহৰ মুখত এই গীত ? এইটো কেনেকৈ সম্ভব হ'ল ? কেনেকৈ এই গীতটো মনলৈ আহিল ? নিশ্চয় ল'ৰা কালৰ কথা তেওঁৰ মনত পৰিছে। কল্পনা কৰি লোৱা টান নহয় যে এসময়ত নিবাৰণ আৰু মনোৰমা দুটি সৰু, বৰ মৰম লগা ল'ৰা-ছোৱালী আছিল। সিহঁতক মাকে বৰ মৰম কৰিছিল। শিয়ালীৰ গীত গাই হয়তো গধূলি টোপনি অনাইছিল। মাকে নাগালেও হয়তো কোনোবা আইতাক-পেহীয়েক-জেঠায়েকে সিহঁতক সাধু কথা কোৱাৰ উপৰি নানান গাঁৱলীয়া গীত-পদ গাই শুনাইছিল। দেশৰ ঐতিহ্যৰ মাজেদিয়েই সিহঁত ডাঙৰ-দীঘল হৈছিল। সেই ঐতিহ্যৰ উত্তাপ অলপ নহয় অলপ আজিও নিবাৰণ আৰু মনোৰমাৰ মাজত আছে। সেই কাৰণেই ইমান বিজতৰীয়া গীত-মাতৰ দিনতো নিবাৰণৰ মনলৈ আৰু মুখলৈ এই গীতটোহে আহিছে।

অলপ অভিভূত হৈ গৈ মই শ্ৰদ্ধা সহকাৰে আগছিটৰপৰা এবাৰ উলটি চালোঁ। নিবাৰণে মিচিকৈ হাঁহিলে, কিন্তু গাবলৈ এৰি নিদি কোলাত মূৰ পেলাই নিঃসাৰ হৈ থকা বায়েকৰ মূৰত হাত এখনেৰে বুলায়ে থাকিল। মোৰ ভাল লাগিল।

শুকুৰা আৰু সৎৰাম উদগ্ৰীৰ হৈ আমালৈ ৰৈ আছিল। টেক্সিখনৰপৰা আমি সকলোৱে মনোৰমাক ধৰা-ধৰি কৰি ভিতৰলৈ লৈ গ'লোঁ। তেওঁ এক প্ৰকাৰ অজ্ঞান হৈয়ে আছিল। আমি যে কেবাজনেও মিলিহে তেওঁক কঢ়িয়াই লৈ যোৱাৰ দৰে নিছিলোঁ তেওঁ তাক জনা নাছিল। তেওঁক তেওঁৰ বিছনালৈ নি শুৱাই দিয়া হ'ল। শুকুৰাই তৎক্ষণাৎ পানী এবাল্টি আনি গামোচা এখন তিয়াই তিয়াই তাৰেই মনোৰমাৰ ভৰি দুটা পালেংখনৰপৰা অলপ ওলোমাই ধৰি ধুৱাই দিবলৈ ধৰিলে। নিবাৰণেও টাৱেল এখনৰ আগ এটা গৰম পানীৰে তিয়াই আনি আলফুলকৈ মনোৰমাৰ মুখমণ্ডল মচি দিবলৈ ধৰিলে। মনোৰমাৰ সাৰ-সুৰ নাই।

সৎৰাম আৰু মই কেৱল চায়েই থাকিলোঁ। কিবা কৰি দিব লাগে বুলি ধৰিব নোৱাৰিলোঁ। অস্বাভাৱিক জীৱন যাপন কৰা এইহাল ককায়েক-ভনীয়েকক আজি দুটি বৰ স্বাভাৱিক প্ৰাণী যেন লাগিল। মাত্ৰ তেওঁলোকক আন আন মানুহে সহজ হ'বলৈ নিদিলে যেনহে লাগিল। মনোৰমা আৰু নিবাৰণৰ মাজত যদি কিবা অস্বাভাৱিকতা আছে তেন্তে সেইটোৰ উদ্ভৱ আন ক'ৰবাতহে।

****